# প্ৰেছ বাৰ্তা

**গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসম-মেঘালয় সীমান্তৱৰ্তী এলেকাত বসবাস কৰা ৰাইজৰ মাজত শান্তি-সম্প্ৰীতি আৰু ঐক্য-সংহতি অধিক সুদৃঢ় কৰা তথা আৰক্ষী আৰু ৰাইজৰ মাজত এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ লক্ষ্যৰে অসম আৰক্ষীৰ উদ্যোগত আজি সোণাপুৰৰ সীমান্তৱৰ্তী পিঠাগোগ গাঁৱত এখন প্ৰীতি ফুটবল খেলৰ আয়োজন কৰা হয়। আম্ৰি-কাৰ্বি ছাত্ৰ সন্থাৰ সহযোগত আয়োজিত এই প্ৰীতি ফুটবল খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান (সীমান্ত) আৰ. এম. সিঙে। অসম আৰু মেঘালয়ৰ বহুকেইখন গাঁৱৰ ৰাইজৰ বিপুল উচ্ছ্বাস-উদ্দীপনাৰ মাজত স্থানীয় বাৰকাচৰং ইউনাইটেড ক্লাব আৰু ৰংফাৰ ইউনাইটেড ক্লাবৰ মাজত অনুষ্ঠিত এই খেলখন উদ্বোধন কৰি বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান সিঙে এই কাৰ্য্যসূচীয়ে দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী ৰাইজৰ মাজত ভাতৃত্ববোধ আৰু ঐক্য-সংহতিৰ এনাজৰী অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। ভাষণ প্ৰসঙ্গত বিশেষ সঞ্চালকপ্ৰধানকৰাকীয়ে অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ প্ৰতিভা বিকাশত গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰে। ডিমৰীয়াৰ ৰজা হলিসিং ৰংহাং আৰু তেন্‌টালাৰ ৰজা পানবৰ ৰংপিও উপস্থিত থকা এই খেলত বাৰকাচৰং ইউনাইটেড দলে ৰংফাৰ ইউনাইটেড ক্লাবক ২-১ গ'লত পৰাস্ত কৰে। খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বাৰকাচৰং দলৰ ৰবেট ইংতিয়ে। খেলৰ শেষত বঁটা বিতৰণ কৰে বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান আৰ এম সিঙে। তদুপৰি, প্ৰীতি খেলখনৰ লগত সংগতি ৰাখি বৃক্ষৰোপনৰ এক কাৰ্য্যসূচীও ৰূপায়ন কৰা হয়। খেলখনত আৰক্ষী উপ-মহাপৰিদৰ্শক (প্ৰশাসন) প্ৰদীপ চন্দ্ৰ শালৈ, অৱসৰপ্ৰাপ্ত আৰক্ষী উপ-মহাপৰিদৰ্শক অপূৰ্ব জীৱন বৰুৱাৰ উপৰিও বহুকেইজন উচ্চপদস্থ আৰক্ষী বিষয়াও উপস্থিত থাকে। বঁটা বিতৰণী সভাখনত আম্ৰি-কাৰ্বি ছাত্ৰ সন্থাৰ তৰফৰ পৰা বিভিন্ন সমস্যা সম্বলিত এখন স্মাৰকপত্ৰও প্ৰদান কৰা হয়। সভাখনৰ আঁতধৰে হৰেশ্বৰ ৰাহাঙে।

চি পি আৰ অ'

অসম আৰক্ষী